জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নংঃ ৫৫০/২০২০

# বিশিষ্ট পণ্ডিত, শিক্ষাবিদ ড° অমৰেশ দত্তৰ গৃহলৈ গৈ পণ্ডিত গৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলে মুখ্যমন্ত্ৰীয়ে

## ডিব্ৰুগড়ৰ ইণ্ডিয়া ক্লাৱ চৌহদত তেখেতৰ প্ৰতিমূৰ্তি স্থাপনৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ ল'ব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৯ আগষ্ট ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি সদ্যপ্ৰয়াত বিশিষ্ট পণ্ডিত, শিক্ষাবিদ ড° অমৰেশ দত্তৰ ডিব্ৰুগড়ৰ নালিয়াপুলস্থিত গৃহলৈ গৈ তেখেতৰ প্ৰতিকৃতিত মাল্যাৰ্পণেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ উপৰি প্ৰয়াত শিক্ষাবিদ গৰাকীৰ ৯৭ বছৰ বয়সীয়া সহধৰ্মিণী, পুত্ৰ তথা পৰিয়ালৰ সৈতে মত-বিনিময় কৰি সমবেদনা জ্ঞাপন কৰে।

মুখ্যমন্ত্ৰীৰ সাক্ষাতৰ সময়ত প্ৰয়াত দত্তৰ গৃহ চৌহদত উপস্থিত থকা সাংবাদিকসকলৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে অসমৰ সমাজ জীৱনৰ আদৰ্শ আছিল বিদগ্ধ পণ্ডিত প্ৰয়াত ড° অমৰেশ দত্ত। তেখেতৰ কৰ্মৰাজিয়ে আমাৰ সাহিত্যৰ ভৰাল চহকী কৰি থৈ গৈছে। তেখেতৰ আদৰ্শক আমি সকলোৱে মিলি জীয়াই ৰাখিব লাগিব। প্ৰয়াত ড° অমৰেশ দত্তক সমন্বয়ৰ প্ৰতীক বুলি অভিহিত কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামৰ বৃহত্তৰ সমাজখনে এই গৰাকী পণ্ডিতৰ পৰা বহুখিনি লাভ কৰিবলৈ সক্ষম হৈছে। সেয়েহে এইগৰাকী পণ্ডিতৰ স্মৃতি চিৰযুগমীয়া কৰি ৰখাৰ বাবে ৰাজ্য চৰকাৰে ডিব্ৰুগড়ৰ ইণ্ডিয়া ক্লাৱ চৌহদত তেখেতৰ এটা প্ৰতিমূৰ্তি স্থাপন কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তেখেতৰ সৃষ্টিৰাজি সম্পৰ্কে প্ৰতিবছৰে আলোচনা চক্ৰ ইত্যাদি অনুষ্ঠিত কৰাৰ পদক্ষেপ লোৱা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয় যাতে নৱ প্ৰজন্মই তেখেতৰ সৃষ্টিৰাজিৰ বিষয়ে সম্যক জ্ঞান লাভ কৰিব পাৰে।

আজিৰ এই সাক্ষাতৰ সময়ত কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, বিধায়ক দ্বয় ক্ৰমে প্ৰশান্ত ফুকন, ঋতুপৰ্ণ বৰুৱা, ডিব্ৰুগড় জিলাৰ উপায়ুক্তকে ধৰি অন্যান্য গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**সুঃমিঃকঃ / বঃভাঃ /পুঃডেঃ**
**১৯/০৮/২০২০**